# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-02-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি লোকসেৱা ভৱনত অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত গঠিত উচ্চ পৰ্যায়ৰ সমিতিৰ পৰামৰ্শ সন্দৰ্ভত ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত এলানি বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাজ্য চৰকাৰৰ অধীনত থকা পৰামৰ্শসমূহৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰা হয়। পৰামৰ্শসমূহত ভূমিৰ অধিকাৰ, সাংস্কৃতিক সংৰক্ষণ আৰু ভাষিক সুৰক্ষাৰ দিশত গুৰুত্ব প্ৰদান কৰে। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে যৌথভাৱে ৰূপায়ণ কৰিবলগীয়া আন ১২টা পৰামৰ্শ সন্দৰ্ভত মাৰ্চ মাহৰ দ্বিতীয় সপ্তাহত আন এলানি বৈঠক অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। উল্লেখযোগ্য যে বৈঠকৰ পাছতে আছুৰ সভাপতি উৎপল শৰ্মাই কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত সদৰি কৰে। সভাপতি শৰ্মাই কয়, যে মুখ্যমন্ত্ৰীৰে অনুষ্ঠিত হোৱা বৈঠকত ৰাজ্যৰ কৃষি ভূমিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হৈছে। এই সিদ্ধান্ত অনুসৰি বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ পৰামৰ্শৱলী অনুসৰি জৰীপৰ জড়িয়তে ৰাজ্যৰ মূল কৃষিভূমি নিৰ্ণয় কৰা হ'ব।

০০০০০

শিক্ষামন্ত্ৰী ড০ ৰণোজ পেগুৱে আজি শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সপ্তদশ প্ৰতিষ্ঠা দিৱস উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ইংৰাজী, অসমীয়া চিকিৎসা বিজ্ঞানৰ আধুনিক অভিধান শীৰ্ষক গ্ৰন্থ উন্মোচন কৰা হয়। এই গ্ৰন্থখনৰ জৰিয়তে চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ্থী, গৱেষক তথা স্বাস্থ্যসেৱা বিভাগৰ বৃত্তিধাৰীসকল উপকৃত হ'ব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলৰ বাবে থকা সকলো প্ৰকাৰৰ সেৱাৰ উপলব্ধতাৰে এখন ডিজিটেল মঞ্চ মুকলি কৰে। এই মঞ্চৰ জৰিয়তে শিক্ষাৰ্থীসকলে প্ৰশাসনিক ব্যৱস্থা তথা শৈক্ষিক দিশৰ সৈতে জড়িত বিভিন্ন সেৱাৰ সুবিধা সহজে লাভ কৰিব বুলি আশা কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় মহিলা আৰু শিশু কল্যাণ দপ্তৰৰ মন্ত্ৰী অন্নপূৰ্ণা দেৱী যাদৱে আজি ডিব্ৰুগড়ত মহিলা আৰু শিশু কল্যাণ সম্পৰ্কীয় বিভিন্ন আঁচনিসমূহৰ বিষয়ে পৰ্যালোচনা কৰে। ডিব্ৰুগড় আৱৰ্ত ভৱনত অনুষ্ঠিত সংবাদমেলত মন্ত্ৰী শ্ৰীমতী যাদৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিষয়ে উল্লেখ কৰে। মহিলা আৰু শিশুৰ কল্যাণৰ বাবে সমাজৰ সক্ৰিয় অংশগ্ৰহণৰ প্ৰয়োজন আছে বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ মহিলা সশক্তিকৰণ, পুষ্টি, শৌচাগাৰ স্থাপন আৰু আৰ্থ-সামাজিক বিকাশ সম্পৰ্কীয় চৰকাৰৰ বিভিন্ন পদক্ষেপৰ বিষয়ে আলোকপাত কৰে। অসমত ডাবল ইঞ্জিন চৰকাৰৰ নেতৃত্বত বাল্য বিবাহ প্ৰতিৰোধ, মাতৃ আৰু স্বাস্থ্যসেৱা উন্নয়ন আৰু উদ্যোগ সৃষ্টিৰ ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ

তেওঁ প্ৰশংসা কৰে। মহিলা আৰু শিশুৰ শিক্ষাৰ অধিকাৰ, স্বাস্থ্যসেৱা আৰু অৰ্থনৈতিক সুযোগ নিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলি তেওঁ প্ৰকাশ কৰে।

ooooo

ৰাজ্য চৰকাৰে আজি অসম লোকসেৱা আয়োগৰ অধীনৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ ৫৬৪ গৰাকী প্ৰাৰ্থীক বিভিন্ন বিভাগৰ নিযুক্তি পত্ৰ প্ৰদান কৰে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি পত্ৰসমূহ প্ৰদান কৰে। নিযুক্তি পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰতিগৰাকী নিযুক্তিপ্ৰাপ্তক বিকশিত অসম গঢ়ি তোলাৰ ক্ষেত্ৰত অৰিহণা আগবঢ়াবলৈ আহ্বান জনায়। এইপৰ্যন্ত ১ লাখ ৩ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে নিকা আৰু স্বচ্ছভাৱে নিযুক্তি লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আজিৰ এই অনুষ্ঠানত অৰ্জুন সন্মান লাভ কৰা ধনুৰ্বিদ জয়ন্ত তালুকদাৰক অসম আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষকৰ পদত নিযুক্তি প্ৰদান কৰা হয়। অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগত সৰ্বাধিক ২৬২ গৰাকী আৰু বিত্ত বিভাগত ৯৬ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰা হয়।

ooooo

কাৰ্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছ'ত আজিৰে পৰা ৫১ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। কাৰ্বি সাংস্কৃতিক সমাজৰ উদ্যোগত পাঁচদিনীয়া কাৰ্যসূচীৰে আয়োজিত কাৰ্বি যুৱ মহোৎসৱৰ কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে উদ্বোধন কৰে। উদ্বোধনী ভাষণত শ্ৰীৰংহাঙে কয়, যে ভাষা সাহিত্য আৰু সংস্কৃতি এটা জাতিৰ পৰিচয় দাঙি ধৰে। কাৰ্বি ভাষা সাহিত্য বিকাশৰ ক্ষেত্ৰত ৰাজনীতিক একাষৰীয়া কৰি সকলোকে একেখন মঞ্চত মিলিত হ'বলৈ তেওঁ আহ্বান জনায়। উদ্বোধনী অনুষ্ঠানৰ পাছতে বিভিন্ন মঞ্চত কাৰ্বিসকলৰ পৰম্পৰাগত লোকনৃত্য, গীত-মাত প্ৰতিযোগিতা আয়োজিত হয়। উল্লেখযোগ্য যে উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে কাৰ্বি লোক সংস্কৃতিৰ আদিগুৰু ৰাংচিনা চাৰপ'ক আৰাধনা কৰা হয়। ইয়াৰ পাছতে বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা চাৰি সহস্ৰাধিক কাৰ্বি শিল্পী, ডেকা-গাভৰুৱে অংশগ্ৰহণ কৰে।

ooooo

সমাপ্ত